**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। দুদিনীয়া ছুইডেন ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ন'ৰৱেলৈ ৰাওনা হৈছে।

২। কংগ্ৰেছ নেতা ভি ডি সতীশনে আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড়ৰ ৰায়পুৰত তাৎক্ষণিক সঁহাৰি সেৱা ডায়েল ১১২ৰ অধীনত নতুন বাহনৰ শুভাৰম্ভ কৰে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ভিয়েটনাম আৰু দক্ষিণ কোৰিয়াত দ্বিদেশীয় ভ্ৰমণসূচীৰে আজি ৰাওনা হৈছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

দুদিনীয়া ছুইডেন ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ন'ৰৱেলৈ ৰাওনা হৈছে। পাঁচখন দেশ ভ্ৰমণৰ চতুৰ্থ পৰ্যায়ত ন'ৰৱেত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলন আৰু দ্বিপাক্ষিক আলোচনাত অংশ ল'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথমটো ন'ৰৱে ভ্ৰমণ তথা বিগত ৪৩ বছৰত ভাৰতৰ পৰা ন'ৰৱলৈ প্ৰথমটো প্ৰধানমন্ত্ৰী পৰ্যায়ৰ ভ্ৰমণ। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে দেশখনৰ ৰজা পঞ্চম হেৰল্ড আৰু ৰাণী ছন্যাক সাক্ষাৎ কৰাৰ লগতে ন'ৰৱেৰ প্ৰধানমন্ত্ৰী য়'নাছ্ গৰ ষ্ট'ৰৰ সৈতে দ্বিপাক্ষিক আলোচনা মিলিত হ'ব। শ্ৰীমোদীয়ে লগতে ভাৰত-ন'ৰৱে ব্যৱসায় আৰু গৱেষণা সন্মিলনতো ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত-ন'ৰৱে সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ উপৰি বাণিজ্য আৰু বিনিয়োগ, বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি তথা স্বচ্ছ আৰু সেউজ প্ৰযুক্তি আৰু সমুদ্ৰ অৰ্থনীতিৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব।

উল্লেখযোগ্য যে তৃতীয় ভাৰত-নৰ্ডিক সন্মিলন কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে এই বৈঠকত ন'ৰৱেৰ প্ৰধানমন্ত্ৰী য়'নাছ, ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেটে ফ্ৰেডেৰিক্সেন, ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটেৰী অৰ্পো, আইচলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টুৰ্ন ফ্ৰষ্টাডটিৰ আৰু - আৰু ছুইডেনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰচনে এই সন্মিলনত অংশ ল'ব।

ন'ৰৱেলৈ যাত্ৰা কৰাৰ পূৰ্বে সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত শ্ৰী মোডীয়ে কয় যে, তেওঁৰ ছুইডেন ভ্ৰমণে দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক উন্নিত কৰাত শক্তিশালী ভূমিকা গ্ৰহণ কৰিব। তেওঁ কয় যে, যুটীয়া

উদ্ভাৱনী অংশীদাৰিত্বৰ দ্বিতীয় সংস্কৰণ আৰু ভাৰ ছুইডেন প্ৰযুক্তি তথা কৃত্ৰিম বুদ্ধিমত্তা কৰিডৰ মুকলিৰ জৰিয়তে পৰৱৰ্তী ৫ বছৰত দেশখনৰ সৈতে কৌশলগত বাণিজ্যিক অংশীদাৰিত্ব বৃদ্ধি পাব। শ্ৰীমোডীয়ে ছুইডেনৰ জনসাধাৰণ আৰু চৰকাৰৰ লগতে প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰচনক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে ভাৰত আৰু ছুইডেনৰ এই বিনিময়ৰ জৰিয়তে পৰৱৰ্তী ৫ বছৰত অৰ্থনৈতিক বিনিময় আৰু পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোডীক ছুইডেনৰ সৰ্বোচ্চ সন্মান **ৰয়েল অৰ্ডাৰ অৰ দা প'লাৰ ষ্টাৰ, ডিগ্ৰী কামাণ্ডাৰ গ্ৰেণ্ড ক্ৰচ** প্ৰদান কৰা হয়।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতে বৰ্তমান বিনিয়োগ, উদ্ভাৱন আৰু নিৰ্মাণ খণ্ডৰ পৃথিৱীৰ অতি আকৰ্ষণীয় স্থানক প্ৰতিনিধিত্ব কৰিছে। শ্ৰীমোদীয়ে ছুইডেনৰ গ'থেনবাৰ্গত অনুষ্ঠিত ইউৰোপীয় ঔদ্যোগিক ঘূৰণীয়া মেজমেল সম্বোধন কৰাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে দেশৰ সকলো কোম্পানীৰ বাবে যথেষ্ট সুবিধা আছে আৰু কোম্পানীসমূহৰ বাবে প্ৰতিষ্ঠানিক ব্যৱস্থাপনাকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে বিগত ১২ বছৰত সংস্কাৰ, প্ৰদৰ্শন আৰু ৰূপান্তৰৰ মূলমন্ত্ৰসমূহৰ ৰূপায়ণত কাম কৰি আহিছে। তেওঁ কয় যে ভাৰতৰ সংস্কাৰ প্ৰক্ৰিয়া দ্ৰুতগতিত চলি আছে আৰু ছুইডিছ কোম্পানীসমূহক নিৰ্মাণ খণ্ড, সেউজ হাইড্ৰজেন অভিযান, স্বচ্ছ ইন্ধন আৰু অন্যান্য খণ্ডত কাম কৰিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে টেলিকম আৰু ডিজিটেল আন্তঃগাঁথনিকে ধৰি পাঁচটা বিভিন্ন ক্ষেত্ৰত আলোকপাত কৰি কয় যে ছুইডিছ কোম্পানীসমূহে ভাৰতক গোলকীয় গৱেষণা আৰু উন্নয়নৰ কেন্দ্ৰ কৰি গঢ়ি তুলিব পাৰে।

ইলেকট্ৰনিকছ, প্ৰযুক্তি নিৰ্মাণ খণ্ড, কৃত্ৰিম বুদ্ধিমত্তা, সেউজ ইন্ধন, আন্তঃগাঁথনি, স্বাস্থ্য খণ্ড আৰু জীৱ বিজ্ঞান আদি বিভিন্ন খণ্ডত সমন্বয়েৰে কাম কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে প্ৰযুক্তি উদ্ভাৱনৰ দ্বিতীয় ঢৌৱে ভাৰতক পুনৰ গঢ়ি তুলিব পাৰে।

oooooooo

কংগ্ৰেছ নেতা ভি ডি সতীশনে আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। শ্ৰীসতীশনে তেওঁৰ শপত গ্ৰহণৰ পূৰ্বে কালি সন্ধিয়া ২১ জনীয়া ইউ ডি এফ মন্ত্ৰীসভাৰ তালিকা ৰাজ্যপালৰ হাতত অৰ্পণ কৰে। ৰাজ্যখনৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে আজি তিৰুৱনন্তপুৰমত নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত লোকসভাৰ বিৰোধী দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকে। প্ৰাক্তন বিৰোধী দলপতি আৰু কে পি চি চিৰ প্ৰাক্তন সভাপতি ৰমেশ চেন্নিথালা তথা বৰ্তমানৰ সভাপতি ছানি যোচেফ, প্ৰাক্তন কে পি চি চিৰ সভাপতি কে মুৰলীধৰণ আৰু আই ইউ এম এলৰ নেতা পি কে কুনহালিকুট্টি আদিকে ধৰি ভালেকেইগৰাকী জ্যেষ্ঠ নেতাই নতুন মন্ত্ৰীসভাত স্থান লাভ কৰিছে।

এই মন্ত্ৰীসভাত সতীশনকে ধৰি ১৪ জনে প্ৰথমবাৰৰ বাবে মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাজ্যখনত কংগ্ৰেছে মুখ্যমন্ত্ৰী পদকে ধৰি ১১টা মন্ত্ৰীপদ লাভ কৰাৰ বিপৰীতে ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগে ৫টা মন্ত্ৰীপদ লাভ কৰে। কেৰালা কংগ্ৰেছ (জোছেফ), আৰ এছ পি, কেৰালা কংগ্ৰেছ (জেকব) আৰু চি এম পিয়ে এটাকৈ মন্ত্ৰীপদ লাভ কৰিছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড়ৰ ৰায়পুৰত  তাৎক্ষণিক সঁহাৰি সেৱা ডায়েল ১১২ৰ অধীনত নতুন বাহনৰ শুভাৰম্ভ কৰে। এই কাৰ্য্যসূচীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও সাই, বিধানসভাৰ অধ্যক্ষ ৰমণ সিং, উপ-মুখ্যমন্ত্ৰী বিজয় বাৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ডায়েল ১১২ সুবিধা পূৰ্বে ৰাজ্যখনৰ  ১৬ খন জিলাত উপলব্ধ আছিল আৰু বৰ্তমান ৩৩ খন জিলালৈ এই সেৱা সম্পসাৰণ কৰা হৈছে। এই কাৰ্য্যসূচীৰ পাছত শ্ৰী শ্বাহ বাষ্টাৰলৈ ৰাওনা হৈছে।  তেওঁ বাষ্টাৰত জিলাখনৰ নেটানাৰ গাঁৱৰ চি আৰ পি এফ চাউনিত এটা জন সুবিধা কেন্দ্ৰ উদ্বোধন কৰিব। উল্লেখযোগ্য যে এই কেন্দ্ৰৰ জৰিয়তে অতি ভিতৰুৱা অঞ্চলত বাস কৰা লোকেও যাতে চৰকাৰ তথা ডিজিটেল সেৱাৰ সুবিধাসমূহ সহজে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰা হ'ব। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকী জগদলপুৰলৈ যাব আৰু তাত তেওঁ অমৰ ৱাটিকাত ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব। বিয়লিৰ ভাগত তেওঁ বাদল একাডেমীত ছহিদসকলৰ পৰিয়াল, নিৰাপত্তা বাহিনী, নক্সাল হিংসাৰ বলি হোৱা লোক তথা কেইবাটাও স্থানীয় সমুদায়ৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰিব।

কাইলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী মন্ত্ৰীগৰাকীয়ে জগদলপুৰত কেন্দ্ৰীয় মাণ্ডলিক পৰিষদৰ ২৬ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত ছত্তিশগড়, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীসকলে অংশ ল'ব।

০০০০০০০০

নাগালেণ্ডত আজি আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উদযাপন কৰা হয়। এইবেলি এই দিৱসৰ মূল বাণী হৈছে - সংগ্ৰহালয়ে বিভাজিত পৃথিৱীক এক কৰিছে। এই দিৱসত সাংস্কৃতিক, সামাজিক আৰু ভৌগোলিক বিভাজন দূৰ কৰি বুজাবুজি, শান্তি আদি প্ৰতিষ্ঠা কৰাত সংগ্ৰহালয়ৰ ভূমিকাত আলোকপাত কৰা হয়। আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উপলক্ষে আজি আৰু কাইলৈ নাগালেণ্ডৰ ৰাজ্যিক সংগ্ৰহালয় দৰ্শনাৰ্থীসকলে বিনামূলীয়াকৈ প্ৰবেশ কৰিব পাৰিব। নাগালেণ্ডৰ কলা আৰু সংস্কৃতি বিভাগে আয়োজন কৰা এই দিৱসত শিক্ষাৰ্থী, গৱেষক, শৈক্ষিক প্ৰতিষ্ঠান, পৰ্যটক আৰু জনসাধাৰণক পৰম্পৰাগত কলা সামগ্ৰী আৰু ঐতিহাসিক সম্পদসমূহৰ চহকী সংগ্ৰহ দৰ্শন কৰিবলৈ আহ্বান জনাইছে।

ক'হিমাত অৱস্থিত নাগালেণ্ডৰ এই ৰাজ্যিক সংগ্ৰহালয় ১৯৭০  চনত স্থাপন কৰা হৈছিল। নাগালেণ্ড চৰকাৰৰ কলা আৰু সংস্কৃতি বিভাগে এই সংগ্ৰহালয়টো পৰিচালনা কৰি আহিছে। এই ৰাজ্যিক সংগ্ৰহালয়ত ৰাজ্যখনৰ ১৭টা বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পোছাক, গহণা, মূল্যবান শিল, পৌৰাণিক অস্ত্ৰ-শস্ত্ৰ, বিভিন্ন বাদ্যযন্ত্ৰ, কাঠৰ শিল্প ভাস্কৰ্য, চিত্ৰকলা আৰু সাংস্কৃতিক আলোকচিত্ৰৰ সংগ্ৰহ আছে।

এই সংগ্ৰহালয়তে বিভিন্ন জনগোষ্ঠীৰ ডেকাচাংসমূহৰ আৰ্হি প্ৰদৰ্শন কৰা হৈছে। দৰ্শণাৰ্থীসকলে নগা লোকৰ বৰ্ণাঢ্য জীৱনপ্ৰণালী, কৃষিকৰ্ম, চিকাৰ, মাছ ধৰা কাৰ্য আৰু পৰম্পৰাগত ৰীতি-নীতিসমূহৰ বিষয়েও এই সংগ্ৰহালয়ৰ জৰিয়তে সম্যক ধাৰণা গ্ৰহণ কৰিব পাৰিব। এই সংগ্ৰহালয়ে নগা লোকসকলৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু বুৰঞ্জীৰ সংৰক্ষণ আৰু ইয়াৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

নাগালেণ্ড ৰাজ্যিক সংগ্ৰহালয়ে দৰ্শণাৰ্থীসকলক ৰাজ্যখনৰ চহকী সংস্কৃতিৰ ব্যতিক্ৰমী যাত্ৰাক প্ৰদৰ্শন কৰি অতীত আৰু বৰ্তমানৰ মাজত সাঁকো হিচাপে কাম কৰি আহিছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ভিয়েটনাম আৰু দক্ষিণ কোৰিয়াত দ্বিদেশীয় ভ্ৰমণসূচীৰে আজি ৰাওনা হৈছে। সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত শ্ৰী সিঙে কয় যে, দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে তেওঁ এছিয় ৰাষ্ট্ৰ দুখন ভ্ৰমণৰ পৰিকল্পনা লৈছে। এই ভ্ৰমণ কালত কৌশলগত সামৰিক সহযোগিতা বৃদ্ধি, প্ৰতিৰক্ষা ঔদ্যোগিক  অংশীদাৰিত্ব, সামুদ্ৰিক সহযোগিতা আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ বাবে আলোচনা কৰা হ'ব বুলি তেওঁ কয়। এই ভ্ৰমণকালত শ্ৰী সিঙে ভিয়েটনাম আৰু দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী দুগৰাকীৰ সৈতে আলোচনাত মিলিত হ'ব।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৯৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ২টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৫৬ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৫৩ ৰান কৰে। দেলহিৰ হৈ ৪ উইকেট দখল কৰা মিছেল ষ্টাৰ্কক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

oooooo

সমাপ্ত